**জনসংযোগ, অসম**

**মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ**

**প্ৰেছ বাৰ্তা**

---

**নং ঃ ৬২১/২০১৯**

**সপ্তম টি জি বৰুৱা মেম'ৰিয়েল মিডিয়া টি -২০ ক্ৰিকেট টুৰ্নামেণ্ট উদ্বোধন কৰিলে মুখ্যমন্ত্ৰীয়ে**

## ক্ৰীড়া, শিক্ষা আৰু সংস্কৃতি হ'ল মানুহৰ জীৱনৰ অন্যতম অংগ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৩০ ডিচেম্বৰ ঃ** ক্ৰীড়া, শিক্ষা আৰু সংস্কৃতি হ'ল মানুহৰ জীৱনৰ অন্যতম অংগ। জীৱনত এই তিনিটা উপাদানৰ সমাহাৰে সমাজক ইতিবাচক শক্তি প্ৰদান কৰাৰ উপৰি মানৱীয় প্ৰমূল্যবোধ সুদৃঢ় কৰাৰ দিশটো বিশেষ ভাৱে অৰিহণা যোগায়। ইয়ে ক্ৰীড়াক জীৱনৰ অন্যতম শৈলী হিচাপে গঢ়ি তোলাৰ দিশটো সহায় কৰিব পাৰে। আজি গুৱাহাটীৰ জজ খেলপথাৰত সপ্তম টি জি বৰুৱা মেম'ৰিয়েল মিডিয়া টি -২০ ক্ৰিকেট টুৰ্নামেণ্ট উদ্বোধন কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে কয়।

সাংবাদিকসকলে প্ৰয়াত টি জি বৰুৱাৰ নামত এই টি -২০ ক্ৰিকেট টুৰ্নামেণ্টখন আয়োজন কৰাৰ বাবে লোৱা পদক্ষেপৰ শলাগ লৈ মুখ্যমন্ত্ৰী সোণোৱালে কয় যে এই টুৰ্নামেণ্টখনে উঠি অহা প্ৰজন্মক ক্ৰীড়াক এক অন্যতম বৃত্তি হিচাপে গ্ৰহণ কৰাৰ দিশত অনুপ্ৰেৰণা প্ৰদান কৰাৰ উপৰি ৰাজ্যখনত এক ক্ৰীড়াসুলভ বাতাবৰণৰ সৃষ্টি কৰাৰ দিশটো অৰিহণা যোগাব। মুখ্যমন্ত্ৰীয়ে ভাষণ প্ৰসংগত প্ৰয়াত টি জি বৰুৱাই ৰাজ্যখনৰ সংবাদসেৱা আৰু সমাজ জীৱনত আগবঢ়াই যোৱা বৰঙণি সমূহৰো শ্ৰদ্ধাৰে স্মৰণ কৰে।

আজিৰ এই উদ্বোধনী অনুষ্ঠানত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সাংসদ তপন কুমাৰ গগৈ, অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত, প্ৰাক্তন ক্ৰিকেট খেলুৱৈ ৰাজেশ বৰাৰ উপৰি বহু সংখ্যক জ্যেষ্ঠ সাংবাদিক উপস্থিত থাকে।

**বীঃগঃ/ বঃভাঃ**

**৩০-১২-২০১৯**